**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2025
**Time:** 1340 Hrs

***Assamese Midday Bulletin***

ooooooooo

# HEADLINES

১। সশস্ত্ৰ বাহিনীসমূহে দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষেত্ৰত পেচাদাৰী মনোভাৱ আৰু দেশভক্তিৰ পৰিচয় দি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰিছে।

২। ভাৰতৰ মহাকাশ খণ্ড গোলকীয় বিনিয়োগকাৰীসকলৰ বাবে আকৰ্ষণীয় স্থলৰূপে পৰিণত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। ভাৰত-ইউ এ ই ব্যাপক অৰ্থনৈতিক সহযোগিতা চুক্তিৰ অধীনত দুয়োখন দেশৰ যুটীয়া সমিতিৰ তৃতীয়খন বৈঠক কালি সফলতাৰে সম্পন্ন হয়।

৪। অসমৰ ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে।

***আৰু***

৫। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে ২০২৫-২৬ বৰ্ষত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৬ দশমিক ৬ শতাংশ হ'ব বুলি পূৰ্বানুমান কৰিছে।

ooooooo

সশস্ত্ৰ বাহিনীসমূহে দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষেত্ৰত পেচাদাৰী মনোভাৱ আৰু দেশভক্তিৰ পৰিচয় দি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত চাণক্য প্ৰতিৰক্ষা আলোচনা-২০২৫ত দিয়া ভাষণত আজি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে প্ৰতিটো সুৰক্ষা প্ৰত্যাহ্বানৰ সময়ত সশস্ত্ৰ বাহিনীসমূহে অভূতপূৰ্ব অভিযোজ্যতা আৰু দৃঢ় সংকল্প প্ৰদৰ্শন কৰি আহিছে। তেওঁ লগতে অলপতে চলোৱা অপাৰেচন সিন্দূৰৰ সাফল্য দেশৰ সন্ত্ৰাস প্ৰতিৰোধী ৰণকৌশলৰ বাবে নিৰ্ণায়ক ক্ষণ বুলি অভিহিত কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে সমগ্ৰ বিশ্বই ভাৰতৰ সামৰিক সামৰ্থ্যৰ কথা অনুধাৱন কৰাই নহয়, বৰং শান্তিৰ ক্ষেত্ৰত দেশৰ দৃঢ়তা আৰু দায়িত্বশীলতাৰে কাৰ্য্য নিৰ্বাহ কৰাৰ নৈতিক স্পষ্টতাৰ বিষয়টোও গুৰুত্বসহকাৰে বিবেচনা কৰিছে।

প্ৰতিৰক্ষা বাহিনীসমূহ অভিযান চলোৱাৰ ভূমিকাৰ উপৰি ৰাষ্ট্ৰীয় উন্নয়নৰো স্তম্ভৰূপে পৰিগণিত হৈ আহিছে বুলি তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে সীমান্ত অঞ্চলসমূহৰ সুৰক্ষা সুদৃঢ় কৰাৰ উপৰি আন্তঃগাঁথনি, যোগাযোগ, পৰ্য্যটন আৰু শিক্ষাৰ মাধ্যমেৰে সীমামূৰীয়া এলেকাসমূহৰ বিকাশত সহায় কৰি আহিছে।

০০০০০০০০০

ভাৰতৰ মহাকাশ খণ্ড গোলকীয় বিনিয়োগকাৰীসকলৰ বাবে আকৰ্ষণীয় গন্তব্যস্থলত পৰিণত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে হায়দৰাবাদত স্কাইৰুটৰ ইনফিনিটী চৌহদ মুকলি কৰি কয়, যে চৰকাৰে দেশৰ মহাকাশ খণ্ডত বহু ঐতিহাসিক সংস্কাৰ সাধন কৰিছে। তেওঁ কয়, যে চৰকাৰে মহাকাশ খণ্ডক ব্যক্তিগত উদ্ভাৱনৰ বাবে মুকলি কৰি দিয়াৰ লগতে ষ্টাৰ্ট-আপ আৰু উদ্যোগসমূহক দেশৰ বৈজ্ঞানিক পৰিস্থিতি তন্ত্ৰৰ সৈতে কাম কৰাৰ সুযোগ প্ৰদান কৰিছে। শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে যে, অনাগত বছৰসমূহত গোলকীয় মহাকাশ অৰ্থনীতি বহুগুণে বৃদ্ধি পাব আৰু দেশৰ যুৱ চামৰ বাবে বহু নতুন সুযোগ সৃষ্টি হ'ব।

বিগত ৬-৭ বছৰত ভাৰতে ইয়াৰ মহাকাশ খণ্ডক মুক্ত, সহযোগিতামূলক আৰু উদ্ভাৱনৰ দ্বাৰা পৰিচালিত পৰিস্থিতি তন্ত্ৰলৈ ৰূপান্তৰ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বৰ্তমান ৩০০ৰো অধিক মহাকাশ ষ্টাৰ্ট-আপে দেশৰ মহাকাশ ভৱিষ্যতলৈ নতুন আশা কঢ়িয়াই আনিছে। তেওঁ কয়, যে স্কাই ৰুটৰ ইনফিনিটী চৌহদ হৈছে ভাৰতৰ নতুন চিন্তা-ধাৰা, উদ্ভাৱন আৰু যুৱ শক্তিৰ প্ৰতিফলন। দেশে বৰ্তমান এই ক্ষেত্ৰত উদ্ভাৱন, বিপদৰ সন্মুখীন হোৱাৰ সামৰ্থ্য, যুৱ শক্তি আৰু উদ্যমীসকলৰ সৈতে নতুন শিখৰত উপনীত হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান, ইছৰোৱে দেশৰ মহাকাশ যাত্ৰাত নতুন উচ্চতা প্ৰাপ্তিৰ দিশত দশকলৈ ইন্ধন যোগাইছে। ইছৰোৰ বিশ্বাসযোগ্যতা, সামৰ্থ্য আৰু মূল্যবোধৰ জৰিয়তে ভাৰতে গোলকীয় মহাকাশ প্ৰেক্ষাপটত এটা সুকীয়া পৰিচয় লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বিয়লি ওড়িশা বিধানসভাৰ সদস্যসকলক উদ্দেশি ভাষণ দিব। এয়া হ'ব ওড়িশা বিধানসভাক উদ্দেশি কোনো এগৰাকী ৰাষ্ট্ৰপতিৰ প্ৰথম ভাষণ। দুদিনীয়া ভ্ৰমণসূচীৰে গৃহ ৰাজ্য ওড়িশালৈ যাবলগীয়া ৰাষ্ট্ৰপতি মুৰ্মুৱে ভ্ৰমণকালত ওড়িশা বিধানসভাৰ ১১ নম্বৰ কক্ষটো পৰিদৰ্শন কৰিব। শ্ৰীমতী মুৰ্মুৱে বিধায়ক হিচাপে কাৰ্য্য নিৰ্বাহ কৰাৰ সময়ত এই কক্ষটোৰ পৰাই কাম কৰিছিল। শ্ৰীমতী মুৰ্মু ২০০০ আৰু ২০০৪ চনত ওড়িশাৰ ময়ুৰভঞ্জ জিলাৰ ৰাইৰাংপুৰ বিধানসভা সমষ্টিৰ পৰা দুবাৰ নিৰ্বাচিত হৈছিল।

০০০০০০০০

ভাৰত আৰু সংযুক্ত আৰৱ আমেৰী ৰাষ্ট্ৰই ভাৰত-ইউ এ ই ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ অধীনত যুটীয়া সমিতিৰ তৃতীয়খন বৈঠক সফলভাৱে অনুষ্ঠিত কৰে। নতুন দিল্লীত কালি বাণিজ্য বিভাগৰ অতিৰিক্ত সচিব অজয় ভাদো আৰু ইউ এ ইৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য পৰিক্ৰমাৰ সহকাৰী সচিব জুমা অল কেইটে এই বৈঠকত সহ-অধ্যক্ষতা কৰে। দুয়োখন দেশে দ্বিপাক্ষিক বাণিজ্যৰ বিকাশক আদৰণি জনোৱাৰ লগতে ভাৰতৰ মুখ্য বাণিজ্য অংশীদাৰ হিচাপে ইউ এ ইৰ স্থিতি পুনৰ নিশ্চিত কৰে। উল্লেখযোগ্য যে, ভাৰত আৰু ইউ

এ ইৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ২০২৪-২৫ বৰ্ষত ১০০ বিলিয়ন আমেৰিকান ডলাৰ অতিক্ৰম কৰি ১৯ দশমিক ৬ শতাংশলৈ বৃদ্ধি হৈছে।

ভাৰত-ইউ এ ই যুটীয়া সমিতিয়ে বিকাশৰ পৰ্য্যালোচনা, প্ৰত্যাহ্বানৰ সমাধান তথা ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি ৰূপায়ণৰ বাবে প্ৰাথমিক প্ৰতিষ্ঠানগত ব্যৱস্থা হিচাপে সেৱা আগবঢ়ায়। দুয়োখন দেশে এই চুক্তিৰ অধীনত বিকাশৰ বিভিন্ন দিশ পৰ্য্যালোচনা কৰাৰ লগতে বজাৰৰ উপলভ্যতা, তথ্যৰ ভাগ-বটোৰাৰা, অন্যান্য সেৱা আৰু বি আই এছ লাইচেন্স সন্দৰ্ভত আলোচনা কৰে।

oooooooo

অসমৰ ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে আৰু বৰ্তমান এনে বিদ্যালয়সমূহত মুঠ ২৩ হাজাৰ ১৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। অসম বিধানসভাত আজি বিধায়ক তেৰছ গোৱালাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই তথ্য প্ৰকাশ কৰে। ডাঃ পেগুৱে লগতে কয়, যে বৰ্তমান ৰাজ্যখনৰ চাহ বাগিছাসমূহত ১১৮ খন আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু প্ৰতিখন আদৰ্শ বিদ্যালয়তে পাঠদান ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰে ৮৭ খন বিদ্যালয়ত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ আৰু ৩১ খন বিদ্যালয়ত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ পাঠদান কৰা হৈছে বুলি শিক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই দ্বিতীয় এডভাণ্টেজ আছামত দেশী-বিদেশী বিনিয়োগকাৰীৰ সৈতে হোৱা চুক্তি সন্দৰ্ভত এটা প্ৰশ্নৰ লিখিত উত্তৰত কয়, যে এই শীৰ্ষ সন্মিলনত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে ২৯৭ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইতিমধ্যে ইয়াৰে ৭০ খন বুজাবুজিৰ চুক্তি কাৰ্য্যকৰী হৈছে।

oooooooo

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আই এম এফে ২০২৫-২৬ বৰ্ষত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৬ দশমিক ৬ শতাংশ হ'ব বুলি পূৰ্বানুমান কৰিছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে, সামগ্ৰী আৰু সেৱা কৰ - জি এছ টি ব্যৱস্থাৰ সংস্কাৰে আমেৰিকা যুক্তৰাষ্ট্ৰই আৰোপ কৰা ৫০ শতাংশ প্ৰতি শুল্কৰ বিৰূপ প্ৰভাৱৰ পৰা ওলাই অহাত দেশক সহায় কৰিব। আই এম এফৰ কাৰ্য্যবাহী পৰিষদে ভাৰতৰ বাবে বাৰ্ষিক মূল্যায়ণ সম্পূৰ্ণ কৰাৰ পাছত সংস্থাটোৱে এটা বিবৃতিযোগে কয়, যে ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ অৰ্থ-ব্যৱস্থাৰ বিকাশ হাৰ ৬ দশমিক ৫ শতাংশ হোৱাৰ পাছত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত প্ৰকৃত ঘৰুৱা মুঠ উৎপাদন ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধি পাইছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা শনিবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে ছত্তিশগড়লৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত অংশগ্ৰহণ কৰিব। ৰায়পুৰত কাইলৈৰ পৰা ৩ দিনীয়া কাৰ্য্যসূচীৰে হ'বলগীয়া এই সন্মিলনত শান্তি ৰক্ষাৰ ক্ষেত্ৰত থকা মূল প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ ক্ষেত্ৰত বৰ্তমানলৈ লাভ কৰা অগ্ৰগতিৰ পৰ্য্যালোচনা কৰা হ'ব আৰু উন্নত ভাৰতৰ দৃষ্টিভংগী অনুযায়ী সুৰক্ষিত ভাৰত গঢ়াৰ বাবে বিশদ পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। সন্মিলনত শ্ৰীমোদীয়ে বিশিষ্ট সেৱাৰ বাবে আগবঢ়োৱা ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক প্ৰদান কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত

শ্বাহ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু গৃহ ৰাজ্য মন্ত্ৰী বন্দী সঞ্জয় কুমাৰেও এই সন্মিলনত ভাগ ল'ব।

০০০০০০০

পাকিস্তানলৈ বেইজিং মহলৰ সমৰ্থন বন্ধ কৰাৰ বাবে স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে অৰুণাচল প্ৰদেশ চীনলৈ হস্তান্তৰ কৰাৰ পৰামৰ্শ আগবঢ়োৱা বুলি দাবী কৰা এটা ভি ডি অ' চৰকাৰে খণ্ডন কৰিছে। ডিজিটেলভাৱে সাল-সলনি কৰা ভি ডি অ'টোত ভাৰত-পাকিস্তান সংঘৰ্ষৰ সময়ত চীনা প্ৰযুক্তিৰ জৰিয়তে ৰাফেল বিমান ধ্বংস কৰাৰ কথা স্বীকাৰ কৰা বুলিও কোৱা হৈছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ তথ্য উদ্ঘাটনকাৰী গোটে পাকিস্তানৰ কেইবাটাও ভুৱা একাউণ্টৰ জৰিয়তে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বিৰুদ্ধে অপ-প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা সৃষ্টি কৰা ভুৱা ভি ডি অ' প্ৰচাৰ কৰা হৈছে বুলি উল্লেখ কৰিছে। তথ্য উদ্ঘাটনকাৰী গোটে স্থল সেনাধ্যক্ষগৰাকীয়ে তেনে ধৰণৰ কোনো বিবৃতি দিয়া নাই বুলি স্পষ্ট কৰি দিছে। গোটটোৱে লগতে জনসাধাৰণক এনে ধৰণৰ সত্যাসত্য নিৰূপণ নোহোৱা বিষয়-বস্তুৰ প্ৰচাৰ নকৰিবলৈ আৰু আনুষ্ঠানিক তথা বিশ্বাসযোগ্য সূত্ৰৰ সঠিক তথ্যহে বিশ্বাস কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ১৯২২ নম্বৰত মিছ্‌ডকল দিয়াৰ পাছত লাভ কৰা লিংকৰ জৰিয়তেও জনসাধাৰণে কাইলৈ পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত আজি দুখন গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। ইয়াৰে এখনত সৰ্বকালৰ জনপ্ৰিয় চলচ্চিত্ৰ 'শ্বোলে'ৰ নিৰ্মাণৰ ৫০বছৰ সম্পূৰ্ণ আৰু আনখনত উত্তৰ পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ সন্দৰ্ভত অঞ্চলটোৰ কেইবাগৰাকীও চলচ্চিত্ৰ নিৰ্মাতাই অংশ ল'ব। আঠদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ কাইলৈ সামৰণি পৰিব।

০০০০০০০

সমাপ্ত